দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ১৪০ ● দেওবাৰ ● ১৩ মাঘ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Sunday January 28, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প...



## শদিয়াত আছুৰ প্ৰতিবাদ

শদিয়া ঃ নিজা প্ৰতিবেদক, ২৭ জানুৱাৰী ঃ অসম চৰকাৰৰ মাতৃভাষা মাধ্যম বিৰোধী কেবিনেট সিদ্ধান্তৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি শদিয়া আঞ্চলিক ছাত্ৰ সন্থাই চপাখোৱাৰ পৰা শান্তিপুৰলৈ এক চাইকেল ৰেলী বাহিৰ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। শদিয়া আছুৰ সভাপতি মনোৰঞ্জন গগৈ আৰু সম্পাদক মিণ্টু কোঁৱৰৰ নেতৃত্বত শতাধিক আছুৰ কৰ্মকৰ্তাই চপাখোৱা চহৰৰ পৰা ৰেলীটো আৰম্ভ কৰি শান্তিপুৰ হৈ প্ৰতিবাদী কাৰ্যসূচীটো পুনৰ চপাখোৱাত সামৰণি মাৰে। চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে আছুকৰ্মীসকলে।

## হাঁহৰ গঁৰালত আবদ্ধ নাহৰফুটুকী

দুলীয়াজান ঃ নিজা প্ৰতিবেদক, ২৭ জানুৱাৰী ঃ দুলীয়াজানৰ ২নং বকুলনী ...

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ

### ডি এইচ এছ কানৈ মহাবিদ্যালয়লৈ শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ জানুৱাৰী ঃ স্বচ্ছতা, পৰিষ্কাৰ-পৰিচ্ছন্নতাক আন্দোলনমুখী কৰি তুলিবলৈ প্ৰয়াস কৰি অহা ডি এইচ এছ কানৈ মহাবিদ্যালয়ক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে স্বচ্ছতা তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সজাগতা সৃষ্টি কৰিবলৈ প্ৰতিদিনে পুৱা যুৱ মহোৎসৱত চাফাই কাৰ্যসূচী গ্ৰহণ কৰিছিল। এইবাৰেই নহয়, প্ৰতিবাৰে যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয়ে নিয়মীয়াকৈ এনে কাৰ্যসূচী গ্ৰহণ কৰি বিশ্ববিদ্যালয়খনৰ অধীনৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি কৰি আহিছে। উল্লেখযোগ্য যে ইতিমধ্যে কানৈ মহাবিদ্যালয়ৰ স্বচ্ছতাক আন্দোলনমুখী কৰাৰ বাবে বিভিন্ন সংগঠনে পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান প্ৰদান কৰিছে।

এইবাৰ যুৱ মহোৎসৱত ব্যাপক প্ৰতিযোগিতাৰ মাজত কানৈ মহাবিদ্যালয়ে পৌনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনীত প্ৰকাশিত সম্পাদকীয়ত প্ৰথম আৰু আলোচনী বিভাগত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, ১৬ বিভাগত বঁটা লাভ কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে ক্ৰমে কাৰ্টুন প্ৰতিযোগিতাত প্ৰথম, আল্পনা প্ৰতিযোগিতাত প্ৰথম, ক'লাজ প্ৰতিযোগিতাত প্ৰথম, তবলা বাদন প্ৰতিযোগিতাত প্ৰথম, ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতাত দ্বিতীয়, ৰাভা সংগীত প্ৰতিযোগিতাত দ্বিতীয়, জয়ন্ত সংগীত প্ৰতিযোগিতাত দ্বিতীয়, পশ্চিমীয়া সংগীত প্ৰতিযোগিতাত দ্বিতীয়, চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাত দ্বিতীয়, ভজন প্ৰতিযোগিতাত তৃতীয়, প'ষ্টাৰ মেকিং প্ৰতিযোগিতাত তৃতীয়, কুইজ প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ দল, খেয়াল প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এনে কৃতিত্বৰ বাবে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## ড° শশীকান্ত শইকীয়ালৈ চৈয়দ আব্দুল মালিক সোঁৱৰণী সন্মান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ জানুৱাৰী ঃ অসম শিল্পী কাননৰ লাহোৱাল আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা শিল্পী দিৱসত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক চৈয়দ আব্দুল মালিক সোঁৱৰণী সন্মান প্ৰদান কৰা হয়। অসম শিল্পী কানন কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান মৃদু পৱন বৰা, সাংগঠনিক সম্পাদক মুৰুলী কাকতী, শিৱসাগৰ জিলা শিল্পী কাননৰ সাধাৰণ সম্পাদক হোমেন দুৱৰা, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক অভিনৱ দত্ত, লাহোৱাল আঞ্চলিকৰ সভাপতি বিন্দু গগৈ, সম্পাদিকা তৃষ্ণা দত্ত বৰুৱা, সাংস্কৃতিক সম্পাদক মাধুৰ্য বৰুৱা, কোষাধ্যক্ষ জ্যোতি প্ৰসাদ চেতিয়া প্ৰমুখ্যে দুই শতাধিক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত ড° শইকীয়াক এই সন্মান প্ৰদান কৰা হয়।



দ্বাদ...

ডুমডুমা ঃ ... তিনিচুকীয়া ... ডুমডুমা আ... ডুমডুমাবাসী... ফেব্ৰুৱাৰীৰ ... ইতিমধ্যে ... কলিতা, ডি... সভাপতি অ...